উদ্দেশ্য হ'ল, পৃথিৱীজুৰি বহনক্ষম বিকাশৰ বাবে আমাৰ যিখিনি সম্পদ আছে সেই সম্পদৰ ওপৰত দক্ষ আৰু সু-ব্যৱস্থাপনা কৰা।

(গ) **বহনক্ষম প্রযুক্তি ঃ** নবীকৰণ শক্তিৰ সহায়ত প্রযুক্তিৰ দ্বাৰা নবীকৰণ নোহোৱা সম্পদ ব্যৱহাৰ কৰি উন্নয়ন কৰা হয়। এনে অতি প্রয়োজন আৰু ই বহনক্ষম উন্নয়নৰ অন্যতম বৈশিষ্ট্য।

(ঘ) **জৈৱ-বৈচিত্র বজায় ৰখা ঃ** অপৰিকল্পিত আৰু অত্যাধিক সম্পদ প্রয়োগেৰে হোৱা উন্নয়ন বহুক্ষেত্রত জৈৱ বৈচিত্র্যৰ বাবে ক্ষতিকাৰক আৰু লগতে ই ভাৰসাম্য ৰক্ষাত ব্যাঘাত জন্মায়। বহনক্ষম উন্নয়ন অতি প্রয়োজন কিয়নো ই নবীকৰণ শক্তি উদাহৰণ স্বৰূপে জৈৱিক কৃষিকার্য, অনুশীলন আদিত উৎসাহ জন্মায়। যিয়ে জৈৱ-বৈচিত্রতাত কোনো কু-প্রভাৱ নেপেলায়।

(ঙ) **আর্থিক স্থিতিশীলতা ঃ** নৱীকৰণ শক্তি প্রযুক্তিৰ উন্নয়নে ৰাষ্ট্রৰ এখনৰ কেৱল সম্পদ সংৰক্ষণতে সহায় নকৰে। ই আর্থিক স্থিতিশীলতা ৰক্ষাতো সহায় কৰে।



১২.১০ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ বহনক্ষম উন্নয়নে কি বুজায়?

প্রশ্ন ২ ঃ ব্রুণ্ডটলেণ্ড প্রতিবেদনৰ মূল বিষয়বস্তু কি আছিল?

প্রশ্ন ৩ ঃ অ-নবীকৰণ সম্পদ কিছুমানৰ নাম উল্লেখ কৰক?

খ) চমুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ বিশ্ব পৰিৱেশ আৰু উন্নয়ন আয়োগে আগবঢ়োৱা বহনক্ষম উন্নয়ন সম্পর্কীয় সংজ্ঞাটি নিজৰ ভাষাত আলোচনা কৰক।

প্রশ্ন ২ ঃ বহনক্ষম উন্নয়নৰ মৌলিক উপাদানসমূহ সংক্ষিপ্তকৈ আলোচনা কৰক।

প্রশ্ন ৩ ঃ শিক্ষা বহনক্ষম উন্নয়নৰ সৈতে কেনেদৰে সম্পর্কযুক্ত সংক্ষিপ্তকৈ আলোচনা কৰক।

গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ বহনক্ষম উন্নয়নৰ বৈশিষ্ট্যসমূহ লিখক।

প্রশ্ন ২ ঃ বহনক্ষম উন্নয়নৰ প্রয়োজনীয়তা আলোচনা কৰক।

প্রশ্ন ৩ ঃ বহনক্ষম উন্নয়নৰ বাবে শিক্ষাৰ ভূমিকা আলোচনা কৰক।

*** ***** ***